| মায়ঙীয়া | পুৰণি অসমীয়া |
|---|---|
| আন্তৰি (আতৰি যোৱা) | আন্তৰি |
| আপি (ছোৱালী) | আপি |
| আবু (আইতা) | আবু |
| জ্মাই (জোঁৱাই) | জামাই |
| লৰু (এছাৰি) | লৰু |
| হালি (চাৰিটা বুজোৱাশব্দ) | হালি |
| পখালি (খুবলি) | পখালি |
| একা | একা |
| আতাহপাৰ (চিঞৰা) | আতাহপাৰ |
| বেহাৰ (সৰিয়হ) | বেহাৰ |
| চখু (চকু) | চখু |
| খাৰা (থিয় হোৱা) | খাৰা, আদি |

মহাপুৰুষ শংকৰদেৱৰ কিছু ৰচনাৰাজিৰ প্ৰভাৱ মায়ংৰ ভাষাত পৰা দেখা যায়। যেনে -

| মায়াঙীয়া | পুৰণি অসমীয়া |
|---|---|
| কামি | কান্থি |
| চিনি (চেনী) | চিনি |
| লাঙল (নাঙল) | লাংগল |
| মাই (মাক) | মাই |

| | |
|---|---|
| ৰইনি (ভনী) | বহিনী |
| ৰাজা (ৰজা) | ৰাজা |
| মানদাৰ (মদাৰ) | মন্দাৰ |
| পিপৰ (পৰুৱা) | পিম্পৰা |
| তাৰা (তৰা) | তাৰা |
| চেৰি (ছোৱালী) | চেৰী আদি |

অনন্ত কন্দলিৰ কুমৰ হৰন কাব্যতো মায়ংৰ ভাষাৰ কিছু নিদৰ্শন পোৱা যায়। যেনে

| মায়াঙীয়া | পুৰণি অসমীয়া |
|---|---|
| গল (ডিঙি) | গল |
| ঘুমতি (টোপনি) | ঘুমতি |
| চাগল্ (ছাগলী) | ছাগল |
| তিৰি (ঘৈনীয়েক) | তিৰী |
| পালং (পালেংশাক) | পালং |
| মৰিচ্ (জলকীয়া) | মাৰিচ্ |
| হানা (খোচা) | হানা |
| জল (পানী) | জল |
| ককৃলাগি (ক'লৈ) | ক্কালাগি, আদি |

ৰাম সৰস্বতী, অনিৰুদ্ধ দ্বিজ আদি প্ৰণিত মহাভাৰত আদিতো মায়ংৰ ভাষাৰ সাদৃশ্য মন কৰিব লগীয়া যেনে -

| মায়ঙীয়া | পুৰণি অসমীয়া |
|---|---|
| ৰাৰি (মাৰি) | ৰাৰি |
| জাচনি (যাচি দিয়া) | যাচনীয়া |
| লেতুক্ (লেতেকু) | লেতুক |
| কাউৰ্ (কাউৰী) | কাউৰ |
| এখ্ন (এতিয়া) | এখ্ন |
| থাল (কাঁহি) | থাল |
| ভাজনি (শিপিনী) | ভাজনি |
| ফিৰি (ঘুৰি অহা) | ফিৰি |

আনকি বুৰঞ্জীৰ গদ্যতো মায়ঙৰ ভাষাৰ সাদৃশ্য থকা দেখা যায়। যেনে-

| মায়ঙীয়া | বুঃগদ্য |
|---|---|
| চুল (চুলি) | চুল |
| মাথা (মূৰ) | মাথা |
| বুক (বুকু) | বুক |
| গাচ (গছ) | গাচ |

নামনি অসমৰ গোৱাপাৰাৰ উপভাষাৰ লগতো মায়ঙৰ ভাষাৰ মিল থকা দেখা যায়। গোৱাপৰীয়া উপভাষাক দেশী ভাষা নামেৰে জনা যায়। এই দেশী ভাষাটোৰ লগত মায়ঙৰ ৰূপ ৰচনা আৰু শব্দাৱলীৰ ক্ষেত্ৰত কিছু মিল বিচাৰি পোৱা যায়। ৰূপতত্বৰ ক্ষেত্ৰতো ক্ৰিয়া বিভক্তিবোৰৰ ৰূপ, নিৰ্দিষ্টতাবাচক প্ৰত্যয় আৰু লিঙ্গ নিৰ্ণয়ৰ পদ্ধতিৰ ক্ষেত্ৰত বহু সাদৃশ্য পৰিলক্ষিত হয়। যেনে -

| মায়ঙৰ উপভাষা | গোৱালপৰীয়া |
|---|---|
| থুত (ওঁঠ) | থোট্ |
| লুম (নোম) | নোম |
| পিচা (পেহা) | পিশা |
| বাগ (বাঘ) | বাগ্ |
| উকুন (ওকনি) | উকুন |
| পোকা (পোক) | পোকা |
| কৈতৰ্ (পাৰ চৰাই) | কোইতৰ্ |
| বগ্ (বগলী) | বগ্ |
| আম্‌ৰা (অমৰা) | আম্‌ৰা |
| মৰিচ্ (জলকীয়া) | মৰুস |
| মানদাৰ (মদাৰ) | মাদাৰ |
| কৰাই (কেৰাহি) | কৰাই |
| কলচ্ (কলহ) | কোল্‌শি |
| গামচ্া (গামোচা) | গাম্‌সা |
| পাদা (শিল) | পটা |
| হ্াতা (হেতা) | হাতা |
| চাৰি (চাৰি সংখ্যা) | চাইৰ |
| দিমা (কণী) | ডিমা |
| কুদাল (কোৰ) | কোদাল্ ইত্যাদি |

## ৩.০৬ কামৰূপী উপভাষাৰ লগত মায়ঙৰ উপভাষাৰ মিল অমিল ঃ

মায়ং কামৰূপ জিলাৰ গাতে লাগি থকা অঞ্চল হেতুকে সকলো দিশতে দুয়ো ভাষা-ভাষী লোকৰ মাজত যথেষ্ট মিল থকা দেখা যায়। ইয়াৰ বাহিৰেও মায়ংলৈ বিভিন্ন ঠাইৰ পৰা মানুহ আহি স্থায়ী বাসিন্দা হৈ পৰা লক্ষ্য কৰা যায়। সেই অনুসৰি কামৰূপ জিলাৰ ৰামদিয়া, হাজো আদি অঞ্চলৰ পৰা আহি মায়ংত স্থায়ী বাসিন্দা হৈ থাকি যোৱা লোক সকলৰ পৰা মায়ং ভাষাত বহুত কামৰূপী উপভাষাৰ শব্দ সোমাই পৰিছেহি। মায়ংৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে দৰং জিলা। সেই দৰং জিলাৰ পৰাও বহু লোক মায়ঙলৈ আহি নিগাজিকৈ থাকিবলৈ লয়। তেওঁলোকৰ লগত অহা ভাষাৰ প্ৰভাৱ-মায়ঙৰ ভাষাৰ ওপৰত পৰা পৰিলক্ষিত হয়। সেইবাবেই বোধহয় মায়ঙৰ ভাষাত কামৰূপী আৰু দৰংৰ উপভাষাৰ মাজত বহুখিনি মিল থকা দেখা যায়। সেইবোৰ হ'ল–

ধ্বনিতত্বৰ ক্ষেত্ৰত দুয়োটা ভাষাত পাৰ্থক্য নাই বুলিবই পাৰি। স্বৰধ্বনিৰ ক্ষেত্ৰত কামৰূপীত থকা শব্দৰ মধ্যস্থান অ' স্বৰধ্বনি উচ্চ, কিন্তু মায়ঙৰ ভাষাত নিম্ন। যেনে, মাঃ কনী, কাম ক'নী,

ৰূপতত্বৰ দিশত যদি চোৱা হয় তেনেহ'লে বহুবচনাত্মক প্ৰত্যয় গিলা/গিলাক শব্দ কামৰূপী উপভাষাত বেছি প্ৰয়োগ হয়। মায়ঙৰ ভাষাত ইয়াৰ প্ৰয়োগ কমকৈ হয়। যেনে - চনা গিলা, ইন্দুৰ গিলা, আদি।

কামৰূপীৰ দৰে ক্ৰিয়াবাচক পৰসৰ্গ, - জাই, - দক্, - না আদিৰ প্ৰয়োগ মায়ঙীয়াতো আছে। যেনে -

মা - সোনকালে আহগে।

কাম - ভাত খা গে।

মাঃ - সি ঘৰ পালা জাই।

কাম ঃ সি ঘৰ পালাক জাই।

দুয়োটা ভাষাৰে নির্দিষ্টতা বাচক প্রত্যয় একে। যেনে- কচা, খান, চতা, দাল, আদিৰ প্ৰয়োগ দুয়োটাতে আছে। যেনে -

| মায়ঙৰ ভাষা | কামৰূপী |
|---|---|
| চুলিকচা | চুলিকচা |
| পানীতপা | পানীতপা |
| বাঁহ-চতা | বাহ-চতা |
| ভতেৰাদাল | তকান-দাল |
| হাথিতু | হাথি-তু ইত্যাদি |

মায়ঙৰ উপভাষাত তৃতীয় বিভক্তিৰ চিন দি আৰু চতুৰ্থী বিভক্তিৰ চিন লেগি ব্যৱহাৰ হয়। এই নিয়ম কামৰূপী উপভাষাতো ব্যৱহাৰ হোৱা দেখা যায়। যেনে -

মাঃ - খাবা লেগি।

কামঃ - খাবাক লেগি।

যাবাক লেগি।

দুয়োটা উপভাষাৰ ক্ষেত্ৰত আৰু এটা মন কৰিবলগীয়া বিশেষত্ব হ'ল শব্দৰ ক্ষেত্ৰত থকা মিল। যেনে-

| মাংয় | কামৰূপী |
|---|---|
| কুনি (কোন) | কুনি |
| গাচ (গছ) | গাচ |

| | |
|---|---|
| খাইতেল (মিঠাতেল) | খাইতেল |
| গবাৰ (গোবৰ) | গবাৰ |
| ঘৰা (ঘোঁৰা) | ঘৰা |
| চনা (কেচুঁৰা) | চনা |
| চাতা (ছাতি) | চাতা |
| ধৰাসাপ (ধোৰাসাপ) | ধৰাসাপ |
| ধূলা (ধূলি) | ধূলা |
| খপা (খোপা) | খপা |
| কুম্‌ৰা (কোমোৰা) | কুম্‌ৰা |
| পাখা (পাখি) | পাখা |
| পাতা (মৰাপাত) | পাত |
| দিমা (কণী) | ডিমা |
| তিৰি (ঘৈণী) | তিৰি |
| বথি (মৈদা) | বথি |
| বিধান (সঁচ) | বিধান |
| লিখা (লেখি ওকনি) | লিখা |
| লেল্‌পা (লেৰেলা) | লেল্‌পা |
| মনা (মোনা) | মনা |
| মুথা (মুঠি) | মুথা |
| ববা (বোবা) | ববা। ইত্যাদি। |

আকৌ এনে কিছুমান শব্দ আছে যিবোৰৰ অৰ্থ একেই ধ্বনিৰ তাৰতম্য আছে। যেনে -

| <u>মায়ঙীয়া</u> | <u>কামৰূপী</u> |
| --- | --- |
| অ'খুত (ঔষধ) | ওখুদ |
| কাকৃৰ (কেকোৰা) | কাকৃৰ |
| কিলাকনি (কাষলতি) | কিলাকোনি |
| গেন্দে (নাৰ্জিফুল) | গেন্ধে |
| ঘুমাইখাইতি (গদগেদী) | ঘুমেখাইতি |
| পাৰুৱা (পাৰ চৰাই) | পাৰা |
| তলা (হাতৰ তলুৱা) | তালা |
| গৰাই (গৰৈ মাছ) | গৰে |
| খদা (সৰু পাঁচি) | খাদা |
| চক'ৰি (পখিলা) | চ্‌কৰি |
| ভখাৰি (ভঁৰাল) | ভাখ্‌ৰি |
| মকুৰা (ভেটগুটি) | মৌকা |
| মহুৰি (আঁঠুৰা) | মহৰি |
| স'ৰিল (শৰীৰ) | সৰিল |
| সিয়া (শিপা) | সিয়াৰ |
| হম্‌কা (ঢোকা) | হাউ'ম্‌কা |

এনেদৰে শব্দৰ ক্ষেত্ৰত মায়ং আৰু কামৰূপী উপভাষাৰ শব্দৰ যথেষ্ট মিল থকা পৰিলক্ষিত হয়।